# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) ২০১৮ চনৰ ২৩ মাৰ্চত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আজি ২৩ মাৰ্চ, আৰু এই তাৰিখটো জমাত আহমদীয়াৰ মাজত মছিহ মাওউদ দিৱস হিচাপে উদযাপন কৰা হয়। এই দিনটোত মছিহ মাওউদ দিৱস উপলক্ষে পাৰ্যমানে জলছা অনুষ্ঠিত কৰা হৈ থাকে। ইখিনিতে মই হজৰত মছিহ মাওউদ (আঃ) ৰ কিছুমান মন্তব্য উল্লেখ কৰিম যি বিলাকত তেখেত (আঃ) য়ে মছিহ মাওউদৰ আগমনৰ উদ্দেশ্য, প্ৰয়োজন আৰু মৰ্যদা সম্পৰ্কে বৰ্ণনা কৰি গৈছে। তেখেত (আঃ) ৰ দাবীৰ পিছত নাম মাত্ৰ মুছলমান উলামা সকলে পূৰ্ণ প্ৰচেষ্টা চলাইছিল। কিন্তু আল্লাহ তায়লাৰ সহায় ক্ৰমে তেখেত (আঃ) ৰ জমাত উন্নতি কৰি গৈ আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে খোদা তায়লাৰ প্ৰতিশ্ৰুতি অনুযায়ী নিজৰ আগমনৰ বিষয়ে উল্লেখ কৰোঁতে আৰু এয়া ঘোষণা কৰোঁতে যে ময়েই সেই আহিব লগীয়া মছিহ মাওউদ হওঁ, কয় যে; প্ৰকৃত তৌহিদ আৰু নবী কৰিম (ছাঃ) ৰ পৱিত্ৰতা, সন্মান আৰু সত্যতা আৰু আল্লাহৰ কিতাবৰ ওপৰত জুলুম অত্যাচাৰৰ বাটেৰে আক্ৰমন চলালে আল্লাহ তায়লাৰ ইচ্ছা এনে হোৱাটো উচিত নহয়নে যে সেই ক্ৰুছৰ পতন কাৰীক প্ৰেৰণ কৰে? খোদা তায়লায় নিজৰ সেই প্ৰতিশ্ৰুতি إِنَّا نَحْنُ نَزَّلْنَا الذِّكْرَ وَإِنَّا لَهُ لَحٰفِظُوْنَ পাহৰি গৈছেনে ? মনত ৰাখিবা, খোদা তায়লাৰ প্ৰদত্ত প্ৰতিশ্ৰুতি অনিবাৰ্য্য সত্য। খোদা তাৰ প্ৰতিশ্ৰুতি অনুযায়ী পৃথিৱীত খোদা তায়লাৰ ভয় দেখোৱাওতা এজন পঠাইছে, দুনীয়ায় তাক গ্ৰহন কৰা নাই। কিন্তু খোদা তায়লা তাক নিশ্চয় গ্ৰহন কৰি লব আৰু পৰাক্ৰমী আক্ৰমন সহ তাৰ সত্যতা প্ৰকাশ কৰিব। মই তোমালোকক সচাঁ সঁচিকে কৈছো যে, মই খোদা তায়লাৰ প্ৰতিশ্ৰুতি অনুসৰি মছিহ মাওউদ হিচাপে আহিছো, ইচ্ছা কৰিলে গ্ৰহন কৰিব পাৰা, ইচ্ছা কৰিলে অগ্ৰাহ্য কৰিব পাৰা। কিন্তু তোমালোকে অগ্ৰাহ্য কৰিলে একোৱে নহয়। খোদা তায়লা যি সিদ্ধান্ত লৈছে সেয়া সংগঠিত হৈ যাব কাৰণ খোদা তায়লা আগতেই বৰাহিনত উল্লেখ কৰি দিছে صَدَقَ اللّٰهُ وَرَسُوْلُهٗ وَكَانَ وَعْدًا مَّفْعُوْلًا۔ অৰ্থাৎ আল্লাহ আৰু তাৰ ৰছুলৰ কথা সত্যত পৰিণত হৈছে আৰু খোদা তায়লাৰ প্ৰতিশ্ৰুতি ফলিয়াইছে।

মিনহাজে নবুয়তৰ ধাৰা অনুযায়ী এই ছিলছিলাক পৰীক্ষা কৰি চালে, গম পাব যে সত্য কোন পক্ষত আছে। কেৱল এফলিয়া চিন্তা চৰ্চাত এয়া ধৰিব পৰা নাযায়। মই নিজৰ দাবী মিনহাজে নবুয়তৰ ক্ৰমধাৰাত আগবঢ়াইছো। গতিকে যিজনে একান্ত মনেৰে মোৰ কথা শুনিব মই বিশ্বাস কৰো যে তেওঁ লাভবান হ'ব আৰু মানি লব। কিন্তু হিংসা আৰু কৃপনতাত পূৰ্ণ থকা হৃদয়ক মোৰ কথায় একো ফল দিব নোৱাৰে। উল্লেখ কৰে যে সত্য অন্বেষণ কাৰী সকলৰ উচিত যে, তেওঁলোকে মোৰ দাবীৰ প্ৰমাণ বিচাৰে। ইয়াৰ বাবে মই সেয়াই আগবঢ়াই আছো, যি নবী সকলে আগবঢ়াই থৈ গৈছে। অৰ্থাৎ কোৰ'আনৰ আয়াত, হাদীছ আৰু বিচাৰ্য্য প্ৰমাণ আদি যিবোৰে বৰ্তমানে মুচলেহৰ প্ৰয়োজনীয়তাৰ দাবী দাৰ। আকৌ সেই চিহ্ন সমূহ যিবোৰে খোদা তায়লা মোৰ হাতেৰে প্ৰকাশিত কৰিছে, মই তাৰ এটা প্ৰতলিপি ৰচি দিছো। তাত প্ৰায় ডেৰ শ মান প্ৰমাণ, চিহ্ন সন্নিবিষ্ট কৰা হৈছে, কৌটি কৌটি লোক তাৰ সাক্ষী বৈ আছে।

আঁহজৰত (ছাঃ) য়ে কৈছিল যে; তেওঁ এজন হাকিম (ধৰ্মীয়) স্বৰূপে প্ৰকট হ'ব। যি সকলৰ হৃদয়ত চয়তানী আছে, তেওঁলোকে মানি লব নোখোজে, যাৰ ফলত অনৰ্থক বিতৰ্ক আৰু অভিযোগ উত্থাপন কৰি থাকে। কিন্তু তেওঁলোকে মনত ৰাখিব, অৱশেষত খোদা তায়লা তাৰ প্ৰতিশ্ৰুতি অনুযায়ী পৰাক্ৰমী আক্ৰমনেৰে মোৰ সত্যতা প্ৰকাশ কৰিব। মই বিশ্বাস ৰাখো যে যদি মই প্ৰৱঞ্চনা কৰিলোহেতেন তেন্তে আল্লাহ মোক লগে-লগে ধংস কৰি দিলেহেঁতেন। কিন্তু মোৰ এই সকলো কাৰ্য্য তাৰেই নিজৰ কাম আৰু তাৰ দ্বাৰাই প্ৰপঞ্চ আৰু মই তাৰেই প্ৰদত্ত।

এই বিষয়ে আৰু বৰ্ণনা কৰিছে যে মছিহ মাওউদ মিছলীয়া সজোৱা মানেই আঁহজৰত (ছাঃ) ক মিছলীয়া সাব্যস্ত কৰা একেই কথা। কাৰণ কথাটো হ'ল এনেকুৱা যে তেখেত (ছাঃ) কৈছিল যে প্ৰত্যেক শতাব্দীৰ আগভাগত মুজদ্দিদৰ আবিৰ্ভাৰ ঘটিব **মাআজ আল্লাহ** সেয়া মিছা ফলিয়ালে। আকৌ তেখেত (ছাঃ) য়ে কৈছিল **ইমামুকুম মিনকুম** মাআজ আল্লাহ সেয়াও ভুল হ'ল। আনহাতে

তেখেত (ছাঃ) য়ে ক্রুছীয় মতবাদৰ দন্ধৰ সময়ত মছিহ মাহদীৰ আবিৰ্ভাৱ ঘটাৰ সুসংবাদ দিছিল, **মাআজ আল্লাহ** সেয়াও ভুল প্ৰমাণিত হ'ল কাৰণ দন্ধ আৰম্ভ হৈ গৈছে অথচ আহিব লগীয়া ইমাম অহা নাই। যেতিয়া এজনে এনেবোৰ কথা বিশ্বাসত লৱ তেতিয়া তেওঁ আঁহজৰত (ছাঃ) ক মিছলীয়া সাব্যস্ত কৰিবনে নকৰে ?

উল্লেখ কৰে যে মই কোৰ'আন, হদীছৰ সত্যতাৰ সত্যায়ন কৰোঁতা। মই পথভ্ৰষ্ট নহয় বৰং মেহেদী হওঁ। কাফিৰ নহয় বৰং মই মোমিন সকলৰ প্ৰথম হোৱাৰ সত্যায়নকাৰী। যিবোৰ কথা মই কৈ আছো খোদা তায়লা মোক জনাইছে যে এয়া সকলো সত্য। যিজনে খোদা তায়লাৰ ওপৰত বিশ্বাস ৰাখে আৰু কোৰ'আন ও ৰছুলৰ হ'ক মানি লয় তাৰ বাবে এই প্ৰমাণেই যথেষ্ট।

গতিকে যদি তেওঁলোকৰ হৃদয়ত সংকীৰ্ণতা আৰু জেদ ভাৱ নাথাকে তেন্তে মোৰ কথা শুনিব আৰু মোক অনুসৰণ কৰিব। তেওঁ ধংস নহয় বৰং দেখিব যে খোদা তায়লা তাক এন্ধাৰত পেলায় নে পোহৰৰ ফালে লৈ যায়। মই বিশ্বাস ৰাখো যে যিজনে ধৈৰ্য্য আৰু সত্য প্ৰাণেৰে মোৰ পিছ লৱ, তেওঁ সেই জীৱণৰ অংশ লাভ কৰিব যি কেতিয়াও ধংস নহয়। তেখেত (আঃ) য়ে কৈছে যে যাৰ হৃদয় পৱিত্ৰ আৰু খোদা ভীতিপূৰ্ণ, তেওঁলোকলৈ হজৰত ঈছা সম্পৰ্কে জনাওঁ যে তেওঁলোকে মোক বুজাই দিয়ক সেই ইহুদী সকলৰ প্ৰশ্ন আৰু উত্তৰ যে মছিহাৰ আগত ইলিয়াৰ আগমন প্ৰয়োজনীয়, ইয়াত মছিহ নাছৰি যি কৈছে সেয়া সচাঁ নে মিছা ?

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে, আহিবলগীয়া জনেই হ'ল ইউহান্না, ইচ্ছা হলে তাক মানি লোৱা। এজন মোমিন যিজনে খোদা তায়লাত ঈমান ৰাখে আৰু জানে যে খোদা তায়লাৰ পৱিত্ৰ লোক যিকোনো ধৰণে আহিব পাৰে, তেওঁলোকে বিশ্বাস কৰিব যে মছিহ যি কৈছে আৰু কৰিছে সেয়া সত্য আৰু শুদ্ধ। উল্লেখ কৰে যে এতিয়াও সেই একেই সমস্যাৰ উদ্ভৱ হৈছে নে বেলেগ কিবা হৈছে ? যদি খোদা তায়লাৰ ভয় আছে তেন্তে শৰীৰ কপি উঠিব এয়া কওঁতে যে এই দাবী মিছা। অনুতাপৰ বিষয় এয়া যে তেওঁলোকৰ হৃদয়ত ইমান খিনি ঈমানও নাই যিখিনি সেই লোক সকলৰ আছিল, যি সকল ফিৰাউনৰ কউমৰ লোক আছিল আৰু যি সকলে কৈছিল যে যদি এওঁ মিথ্যাবাদী হয় তেন্তে নিজে নিজে ধংস প্ৰাপ্ত হ'ব। মোৰ বিষয়েও যদি তাকওয়া অৱলম্বন কৰিলেহেঁতেন তেন্তে সেই একেই কথা কৈ দেখিব পাৰিলেহেঁতেন যে খোদা মোক সহায় কৰি আছে নে মোৰ ছিলছিলাৰ পতন ঘটাই আছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আল্লাহ তায়লাৰ  কৃপাত আজি সেই এটি আহ্বান যি এখন সৰু গাঁৱৰ পৰা উদ্ভেদ হৈছিল সেয়া পৃথিৱীৰ ২১০ খন দেখত বিস্তাৰ লাভ কৰিছে, এয়াই হ'ল তেখেত (আঃ) ৰ সত্যতাৰ প্ৰমাণ। দুৰ-দুৰান্ত আল্লাহ তায়লা এনে দৃঢ় ঈমান থকা লোকৰ জন্ম দিছে যে সেয়া আচৰিত হবলগীয়া বিধৰ বিষয়। তাৰেই এটা ঘটনা মই উল্লেখ কৰিবলৈ লৈছো।

২০১২ চনত বেনিনিত এখন জমাত প্ৰতিষ্টিত হৈছিল। তাত ইব্ৰাহিম চাহাবেও বয়াত কৰি পৱিত্ৰতা আৰু আনুগত্যত বৰ উন্নতি কৰিছিল আৰু নিজৰ আত্মীয় সকলক তবলিগ কৰিবলৈ আৰম্ভ কৰে। তেওঁৰে ভায়েকে এই তবলিগৰ কাৰ্য্যত বিৰক্ত হৈ তেওঁৰ লগত কাজিয়া আৰম্ভ কৰে, কিন্তু তেওঁ তবলিগ কৰা বন্ধ নকৰে। তেওঁৰ প্ৰচেষ্টাত ওচৰে-পাজৰে থকা তিনিখন গাওঁ আহমদীয়ত গ্ৰহন কৰে। তেতিয়া তেওঁৰ ভায়েকে এজন বন্ধুৰ সৈতে মিলি তাক হত্যা কৰাৰ পৰিকল্পনা কৰে। ইব্ৰাহিম চাহাবে কয় যে, মই সপোনত দেখো যে মোৰ ভাই আৰু তাৰ বন্ধুয়ে এটা গাঁত খান্দি তাত কিবা পেলাই আছে। এই সপোন দেখাৰ তিনি দিন পিছত মোৰ ভায়েকৰ সেই বন্ধুজনৰ হঠাৎ বেমাৰ হৈ মৃত্যু হয়। যেতিয়া মোৰ ভায়েকে কবলৈ আৰম্ভ কৰে যে মই তাৰ বন্ধুক কিবা যাদু টুনা কৰিছো। কিছুদিন পিছত মই আকৌ এটা সপোন দেখো। দেখো যে মোৰ ভায়েকে এটা গছৰ সৈতে লগ লাগি নিজকে জুখি আছে। আমাৰ অঞ্চলত এয়া পৰম্পৰা আছে যে কাৰো কবৰ খান্দিবলৈ হলে গছ এখনৰ সৰু ডাল এখনেৰে সেই মৃতকৰ দেহ খন জুখি লোৱা হয় যাতে কবৰৰ গাঁত তাৰ ঠিক জোখৰ হয়। কিছুদিন পিছত মোৰ ভায়েকৰ অন্তসত্তা পত্নীৰ বেমাৰ হয় আৰু দুই দিন পিছতেই মৃত্যু হয়। তেতিয়া মোৰ ভাইয়েকে প্ৰচাৰ কৰিব ধৰিলে যে এইজন মানুহ যাদুকৰ আৰু স্থানীয় প্ৰধানক গৈ অভিযোগ কৰি পইচাও দিয়ে। প্ৰধানে মোক মাতি নি কয় যে এয়া নতুন ধৰ্ম তুমি মানিবলৈ লৈছে, এয়া সোনকালে এৰি দি তওবা কৰি লোৱা নহলে কালিৰ সূৰ্য দেখিবলৈ নাপাবা। মই উত্তৰত কলো যে ধৰ্ম মই সত্য বুলি গ্ৰহন কৰিছো গতিকে এৰিব নোৱাৰো আৰু জীৱণ মৃত্যু হ'ল আল্লাহ তায়লাৰ হাতত। তেতিয়া প্ৰধানে কয় যে এই অঞ্চলৰ খোদা হলো মই, মই যি ইচ্ছা কৰো তাকেই কৰো। তোমালোকে ভালদৰে জানা যে মই কি সিদ্ধান্ত লবলৈ লৈছো আৰু যাক মই কৈ দিম যে তেওঁ কালিলৈ মৰি যাব, তেওঁ নিশ্চয় মৰিব লাগিব। মই তেতিয়া কলো যে ঠিক আছে, তুমি কিজানি তোমাৰ নিজৰ কিছুমান নকল কৰা কথা লোকক কৈছা। কিন্তু মই তোমাক এই বিষয়ে একো নকওঁ। কিন্তু ধৰ্ম ত্যাগ নকৰো কাৰণ প্ৰকৃত ইছলাম ইয়াতে আছে। এই কথাখিনি শুনি তেওঁ আৰু ক্ৰুধান্বিত হৈ কয় যে তেওঁক কোঠালিত আৱদ্ধ কৰি ৰাখা। কিন্তু সেই লোক সকলে অলপ পইচা পাই মোক আটক নকৰি এৰি দিয়ে। দুদিন মান পিছত সেই প্ৰধান জনে ফালিজ বেমাৰত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে। এই ঘটনা দেখি মোৰ ডাঙৰ ভায়েকে

মোৰ লগত মিলিবলৈ আত্মীয় সকলৰ দ্বাৰা মোক জনায়। মই কওঁ যে মোৰ কাৰো সৈতে কাজিয়া নাই। আমি এনেয়ে শান্তি প্ৰিয় আৰু এয়াই হ'ল ইছলামৰ প্ৰকৃত বাৰ্তা। উক্ত নিদৰ্শনে অঞ্চলটোত বাৰুকৈয়ে প্ৰভাৱ পেলায় আৰু আহমদীয়তৰ সত্যতা প্ৰমাণিত হয়।

হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে, চোৱা মই খোদা তায়লাৰ শপত খাই কওঁ যে হাজাৰ নিৰ্দশন মোৰ সত্যায়নৰ বাবে প্ৰকাশ পাইছে আৰু ভৱিষ্যতেও পাব। যদি এয়া মানুহৰ পৰিকল্পনা হ'লহেঁতেন তেন্তে এনেকুৱা সহায় সহযোগীতা কেতিয়াও বহল নহলহেঁতেন। এয়া হ'ল খোদা তায়লাৰ পৰিকল্পনা যাৰ ফলত সহায় লাভ হৈ আছে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কিছুমান লোকৰ অভিযোগৰ উত্তৰ দিওঁতে কয় যে; লোকে কয় যে আমি ইছলামী শিক্ষাৰ ওপৰত আমল কৰি আছো। ইছলামত আগৰে পৰাই বহুত ফিৰকা আছে তেন্তে আকৌ নতুন ফিৰকা বনোৱাৰ কি প্ৰয়োজন আছে আৰু আপোনাৰ জমাতত চামিল হোৱাৰ কি প্ৰয়োজন ? তেখেত (আঃ) য়ে কয় যে এওঁলোকে এনেদৰে মানুহক ধোকা দিয়ে আৰু নজনা মানুহবিলাকে এই ধৰণৰ কথা শুনি ঠগে। তেখেত (আঃ) য়ে কৈছে যে মনত ৰাখিবা। বোধ শক্তি ক্ষীণ আৰু তত্ত্ব জ্ঞানৰ অভাৱত এনেকুৱা কথাৰ সৃষ্টি হয়। এয়া মোৰ নিজা কাম নহয়। মই এই ছিলছিলা প্ৰতিষ্ঠা কৰা নাই। এয়া আল্লাহ তায়লা সৃষ্টি কৰিছে। কাৰণ ঈমানি শক্তিৰ পতন ঘটি সেই পৰ্যায় পাইছে গৈ যে ঈমানৰ শক্তি সম্পূৰ্ণ ভাৱে লোপ পাইছে। আল্লাহ তায়লাৰ ইচ্ছা যে প্ৰকৃত ঈমান উজ্জীৱিত কৰে যিটো এই ছিলছিলাৰ জৰিয়তে কৰিব বিচাৰিছে। গতিকে এনে অৱস্থাত তেওঁলোকৰ অভিযোগ অৰ্থহীন। গতিকে এয়া নিশ্চিত যে মুছলমান সকলে বাহ্যিক ভাৱে আমল কৰে কিন্তু সেয়া প্ৰাণহীন, তাকওয়াহীন। তেখেত (আঃ) য়ে কৈছে যে যদি মুছলমান সকলৰ আমল, নেক আমল হৈ থাকে তেন্তে তাৰ পাক ফলাফল কিয় নোলায়।

এই বিষয়টো বিশদ ভাৱে বৰ্ণনা কৰিবলৈ গৈ তেখেত (আঃ) য়ে কৈছে যে, মছিহ মাওউদৰ আগমনৰ উদ্দেশ্য হ'ল আভ্যন্তৰীণ আৰু বাহ্যিক দন্ধ বিবাদ আৰু আক্ৰমনৰ পৰা ইছলামক সুৰক্ষিত কৰা আৰু আঁহজৰত (ছাঃ) য়েও এই বিষয় সংক্ৰান্তেই খবৰ দিছে। তেখেত (আঃ) য়ে কয় যে আঁহজৰত (ছাঃ) য়ে শেষ যুগৰ বিষয়ে খবৰ দিছিল যে সেই সময়ত দুই ধৰণৰ সমস্যায় দেখা দিব, এটা হ'ল আভ্যন্তৰীণ আনটো বাহ্যিক। আভ্যন্তৰীণ সমস্যা হ'ব যে মুছলমান সকলে সত্য হিদায়েতৰ ওপৰত প্ৰতিষ্ঠিত নাথাকিব। বাহ্যিক সমস্যা এয়া হ'ব যে আঁহজৰত (ছাঃ) ৰ পৱিত্ৰতাৰ ওপৰত অপযশ জাঁপি দিয়া হ'ব আৰু এয়াই আজিকালি চলি আছে। আজি বিভিন্ন ধৰণৰ হৃদয় বিদাৰক আক্ৰমনেৰে ইছলামক অপমান কৰাৰ চেষ্টা কৰা হৈ আছে।

হুযুৰ আনোৱাৰ (আইঃ) যে কয় যে, যিহেতু হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো সেয়া আমাৰ আল্লাহ তায়লাৰ সৈতে সম্পৰ্ক আৰু তাকওয়াৰ মান বেলেগ মুছলামনতকৈ উচ্চ হ'ব লাগিব। আমাৰ আমলৰ অৱস্থা বেলেগতকৈ ভাল হ'ব লাগিব। আমাৰ আমল সদায় আল্লাহৰ সন্তুষ্টি অনুসৰি নেক হোৱা উচিত।

উল্লেখনীয় এয়া যে নেক আমল কি বস্তু ? কোৰ'আন কৰিমত আল্লাহ তায়লা ঈমানৰ সৈতে নেক আমলৰ চৰ্ত ৰাখিছে। নেক আমল তাকেই কোৱা হয়, য'ত বিন্দু মাত্ৰও ফছাদৰ সুৰুঙা নাই। মনত ৰাখিবা যে মানুহৰ আমলৰ, কাৰ্য্য আদিৰ মাজত সদায় আত্মম্ভৰিতাৰ উদ্ৰেক হয়। এই আত্মম্ভৰিতা কি ? এয়া হ'ল ছলনা, আৰু বিস্ময়ত বিলোল হোৱা। এই বিস্ময় হ'ল এয়া যে, আমল কৰি ভিতৰি ভিতৰি আনন্দ কাতৰ হৈ পৰা। এই অৱস্থাৰ পৰা বিভিন্ন ধৰণৰ পঙ্কিলতা আৰু গোনাহ সংগঠিত হ'ব ধৰে, যাৰ পৰা সকলো আমল নষ্ট হৈ যায়। উল্লেখ কৰে যে নেক আমল হ'ল সেয়া য'ত জুলুম বিস্ময়তা, ছলনা, আত্মম্ভৰিতা, মানৰ অধিকাৰ খৰ্ব কৰাৰ বিন্দুমাত্ৰ ধাৰণা নাথাকে। উত্তম নেক আমল কৰিলেহে আল্লাহ তায়লা সন্তুষ্ট হৈ পুৰুস্কৃত কৰিব। এনেদৰে পাৰ্থিব জগততো মানুহে নেক আমলৰ জৰিয়তে বিভিন্ন সমস্যা, দুখ, দুৰ্গতিৰ হাত সাৰিব পাৰে। যদি এখন ঘৰত (পৰিয়ালত) এজন নেক আমলকাৰী থাকে তেন্তে, সেই ঘৰখনও বাচি যায়। ধৰিলোৱা তুমি এতিয়াই তওবা কৰিছা, এতিয়াৰ পৰাই খোদা তায়লা দেখিব বিচাৰে যে তুমি এই তওবাৰ পৰা নিজকে নিজে ভৱিষ্যতলৈ কিমানদুৰ পৱিত্ৰ কৰি লৈছা। সদায় ইস্তেগফাৰ কৰা উচিত। মানুহে প্ৰত্যেক গোনাহৰ বাবে হয়তো সেয়া প্ৰকাশ্য অথবা গোপনীয় হওক, হয়তো সেয়া জানিয়ে বা নেজানি হওক, আৰু হাত, ভৰি, মুখ, নাক, কান, চকু আদিৰ সকলো প্ৰকাৰৰ গোনাহৰ পৰা ইস্তেগফাৰ কৰি থাকিব লাগে। উল্লেখ কৰে যে আজি কালি আদম (আঃ) ৰ পঢ়া দোৱা আমি পঢ়া উচিত, সেই দোৱা হ'ল ربنا ظلمنا انفسنا وان لم تغفرلنا وترحمنا لنكونن من الخاسرين- এই দোৱা প্ৰাৰম্ভিকতেই কবুল হৈ ৰৈ আছে। আলস্যপূৰ্ণ জীৱণ যাপন নকৰিবা, যিজনে আলসতাৰে জীৱণ যাপন নকৰে তেওঁ কেতিয়াও কোনো ধৰণৰ ভয়াবহ বিপদত নিপতিত নহয়। তেখেত (আঃ) য়ে কৈছে যে কোনো আদেশ অবিহনে নাহে যেনেকৈ মোলৈ ইলহাম হৈছে যে

رب کل شیء خادمک رب فاحفظنی وانصرنی وارحمنی: মোৰ বিশ্বাস যে সকলো খোদা তায়লাৰ হাতৰ মুঠিত। হয়তো তেওঁ বস্তুৰে কৰিব পাৰে নতুবা দুৰ্যোগেৰে কৰিব পাৰে। আল্লাহ্ তায়লাৰ হাতত সকলো বস্তু অৱস্থান কৰি আছে। গতিকে এই দোৱা পাঠ কৰা উচিত সেয়ে এই দোৱাৰ ফালে মনযোগ দিয়ক।

গতিকে আমি সকলো আহমদীয়ে নিজৰ-নিজে পৰ্যায় বিচাৰ কৰা উচিত। যদি আমি হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো তেন্তে সেই মান্যতা আৰু বয়াতৰ হক আদায় কৰোঁতা হৈছোনে ? মোৰ পৰীক্ষণৰ পৰা গম পাইছো যে আমাৰ মাজত থকা কিছুমানে পূৰ্ণ ভাৱে নমাজ আদায় নকৰে। নমাজৰ প্ৰতি মনযোগ নাই। ইস্তেগফাৰৰ প্ৰতি মনযোগ নাই। পৰস্পৰে পৰস্পৰৰ হ'ক আদায় কৰাৰ প্ৰতি লক্ষ্য নাই। যদি এনেকুৱা অৱস্থা হয় তেন্তে আমি কেনেকৈ কব পাৰিম যে আমি নেক আমল আদায় কৰোঁতা। আমি হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ হ'ক আদায় কৰিব লাগিব। বেলেগে নামানি গোনাহগাৰ হৈ আছে আৰু আমি মানি লৈ পেলাই হৃদয়ত পৰিবৰ্ত্তন সাধন নকৰি আৰু শপত লৈ সেই শপত পূৰ্ণ নকৰি গোনাহগাৰ হৈ আছে। গতিকে বৰ চিন্তাৰে সৈতে আমি প্ৰত্যেকেই নিজৰ নিজৰ পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে। আল্লাহ তায়লা আমাক কেৱল পৰম্পৰা গত হিচাপে মছিহ মাওউদ দিৱস উদযাপন কৰোঁতা যেন নবনায়। বৰং মছিহ মাওউদ (আঃ) ক কবুল কৰাৰ হক আদায় কৰোঁতা বনাওঁক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আজি আনন্দৰ সংবাদ এয়া যে কাকত আল্-হাকাম যি কাদিয়ানৰ পৰা ছপা হৈছিল এতিয়া সেয়া ইয়াৰ পৰা ছপা হ'ব। কমকৈ ছপোৱা হ'ব কিন্তু ইণ্টাৰনেটত যথেষ্ট পোৱা যাব। www.alhakam.org ওৱেবছাইটত পোৱা যাব। এনেদৰে মোবাইল আৰু Tablets ৰ বাবে Al-Hakam নামৰ App উপলব্দ হ'ব। Play Store বা Apple Store ৰ পৰা ডাউনলোড কৰি পঢ়িব পাৰিব। আল্লাহ্ তায়লাৰ ওচৰত দোৱা এয়া যে এই আৰম্ভনী যেন সদায় বৰ্ত্তি থাকে কাৰণ এয়া ইংৰাজী ভাষাত ৰচিত হ'ব। যাতে ইংৰাজীত বুৎপত্তি থকা সকলে ইয়াৰ পৰা লাভ আহৰণ কৰিব পাৰে। আমিন

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 23 March 2018**

**BOOK POST (PRINTED MATTER)**

**To**

-----------------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**